# **NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-02-2026
**Time:** 19-10 Hrs

## ***Assamese Evening Bulletin***
## ***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি মালয়েছিয়াত উপস্থিত হৈছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত আজি জম্মু-কাশ্মীৰৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

৩। সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ সংখ্যা ছখনৰ পৰা ২৩ খনলৈ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰে।

৪। ছত্তীশগড়ৰ বস্তৰ বিভাগৰ বিজাপুৰ আৰু সুকমা জিলাত আজি মুঠ ৫১ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে।

*আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি মালয়েছিয়াত উপস্থিত হৈছে। মালয়েছিয়াৰ ৰাজধানী কোৱালালামপুৰত প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োখন দেশৰ মাজৰ গভীৰ সম্পৰ্কৰ কথা আলোকপাত কৰে। তেওঁ প্ৰবাসী ভাৰতীয়সকলক দুয়োখন দেশৰ মাজৰ সাঁকো বুলি অভিহিত কৰে। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে তেওঁৰ পুৰণি বন্ধুত্বৰ কথা স্মৰণ কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু মালয়েছিয়াই ২০২৪ ত দুয়োখন দেশৰ সম্পৰ্কক কৌশলগত অংশীদায়িত্বলৈ উন্নীত কৰিছিল আৰু এতিয়া দুয়ো দেশে হাতত হাত ধৰি উন্নতিৰ দিশত আগুৱাই গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, যে মালয়েছিয়াত ভাৰতৰ শতাধিক তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান আছে। যিয়ে দেশখনত সহস্ৰাধিক লোকক কৰ্মসংস্থাপন দিছে। ভাৰতৰ ডিজিটেল লেনদেনৰ মঞ্চ ইউ পি আই সেৱাক অতি শীঘ্ৰে মালয়েছিয়াতো আৰম্ভ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰে। মোদীয়ে লগতে কয়, যে ভাৰতৰ বিদেশী নাগৰিক কাৰ্ডৰ সুবিধা ষষ্ঠ প্ৰজন্মলৈকে সম্প্ৰসাৰিত কৰা হৈছে। ভাৰতত অধ্যয়ন কৰা মালয়েছিয়াৰ শিক্ষাৰ্থীসকলৰ বাবে থিৰুভল্লভাৰ বৃত্তিৰ প্ৰৱৰ্তন কৰাৰ লগতে মালয়েছিয়াত এখন নতুন ভাৰতীয় কনছুলেট মুকলি কৰা হ'ব। সমৃদ্ধিশালী মালয়েছিয়া আৰু উন্নত ভাৰতলৈ অৰিহণা যোগোৱা প্ৰবাসী ভাৰতীয়সকলকো প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত আজি জম্মু-কাশ্মীৰৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় শাসিত অঞ্চলত মূল আন্তঃগাঁথনিৰ

কাম আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাত আঁচনিসমূহ ৰূপায়ণৰ গুৰুত্ব সন্দৰ্ভত আলোচনা কৰা হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকল্প ভিত্তিক ৰূপায়ণৰ পৰ্যালোচনা কৰি উন্নয়নৰ কামসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ জাৰি কৰে। বিগত দশকত জম্মু-কাশ্মীৰত হোৱা বিনিয়োগ, উদ্যোগ, ক্ৰীড়া আৰু আন্তঃগাঁথনিৰ অভূতপূৰ্ব বৃদ্ধি কৰাটো চৰকাৰৰ অগ্ৰাধিকাৰ দিয়া বিষয়বস্তু বুলিও প্ৰকাশ কৰে। উল্লেখযোগ্য যে, গৃহমন্ত্ৰী অমিত শ্বাহে সভাখনৰ পিছতে চণ্ডীশগড়ৰ ৰায়পুৰলৈ ৰাওনা হয়। আনহাতে বৃহস্পতিবাৰে নিশা জম্মুত উপস্থিত হোৱা শ্বাহে শুকুৰবাৰে কাঠোৱা হীৰানগৰ চেক্টৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত গুৰনাম আৰু ববিইয়ানত থকা সীমান্ত সুৰক্ষা বাহিনীৰ চকীসমূহ ভ্ৰমণ কৰে। কাঠোৱাৰ পৰা উভতি অহাৰ সময়ত মন্ত্ৰীগৰাকীয়ে এখন নিৰাপত্তা পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি জম্মু আৰু কাশ্মীৰক সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ পিছতে তেওঁ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি প্ৰাণ আহুতি দিয়া কেইবাজনো আৰক্ষী পৰিয়ালক সাক্ষাত কৰি চাকৰিৰ পত্ৰ প্ৰদান কৰে।

০০০০

সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ সংখ্যা ছখনৰ পৰা ২৩ খনলৈ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰে। তেওঁ লগতে এই প্ৰতিষ্ঠানে সমগ্ৰ দেশতে বিশ্বমানৰ স্বাস্থ্য সেৱা প্ৰতিষ্ঠানৰ এটা শক্তিশালী ভেটি গঢ়ি তুলিছে বুলি মন্তব্য কৰে। ফৰিদাবাদৰ এখন শিক্ষানুষ্ঠানত সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ভাৰতে মাতৃ আৰু শিশুৰ স্বাস্থ্যকে ধৰি মূল স্বাস্থ্য সংক্ৰান্তীয় সূচক সমূহৰ লগতে অন্যান্য ৰোগসমূহৰ ক্ষেত্ৰতো উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে বুলি প্ৰকাশ কৰে। দেশত যক্ষ্মা নিয়ন্ত্ৰণৰ কথা উল্লেখ কৰি বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতৰ অগ্ৰগতিৰ প্ৰশংসা কৰি যক্ষ্মা ৰোগৰ আৰোগ্যৰ হাৰ বিশ্বৰ আৰোগ্যৰ হাৰতকৈ দুগুণ বৃদ্ধি পোৱা বুলিও মন্ত্ৰীগৰাকীয়ে কয়। শ্ৰী নাড্ডাই স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলক শক্তিশালী মূল্যবোধ, নৈতিক আচৰণ আৰু জনসেৱাৰ প্ৰতি গভীৰ দায়বদ্ধতাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। উল্লেখ যোগ্য যে এই দলটোৱে অমৃত কালৰ দ্বিতীয় পৰ্যায়ৰ সময়ছোৱাত তেওঁলোকৰ পেছাদাৰী যাত্ৰা আৰম্ভ কৰাৰ সৌভাগ্য লাভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বাণিজ্যিক চুক্তিয়ে দেশৰ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিব বুলি বিজেপি মুখপাত্ৰ ড০ শুধাংশু ত্ৰিবেদীয়ে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বাৰ্তাত বিজেপি মুখপাত্ৰগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুদক্ষ নেতৃত্বৰ বাবেই এই বাণিজ্যিক চুক্তি সম্ভৱ হৈছে। বিগতবৰ্ষসমূহতো অষ্ট্ৰেলিয়া, ইংলেণ্ডকে ধৰি ইউৰোপীয় ৰাষ্ট্ৰগোটৰ সৈতে ভাৰতে বাণিজ্যিক চুক্তিত স্বাক্ষৰ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰী ত্ৰিবেদীয়ে কয় যে এনে পদক্ষেপে ভাৰতৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডই বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতিৰ সৈতে যুক্ত হোৱাৰ দুৱাৰ মুকলি কৰিব।

০০০০

ছত্তীশগড়ৰ বস্তৰ বিভাগৰ বিজাপুৰ আৰু সুকমা জিলাত আজি মুঠ ৫১ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে। চৰকাৰে এই মাওবাদীসকলৰ বাবে এক কোটি ৬১ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। বিজাপুৰ জিলাত ত্ৰিশজন মাউবাদীয়ে হিংসাৰ পথ ত্যাগ কৰি সমাজৰ মূলসুঁতিলৈ ঘূৰি অহাৰ সিদ্ধান্ত লৈছে। আত্মসমৰ্পণ কৰা সকলৰ ভিতৰত ২০ গৰাকী মহিলা মাওবাদিও আছে। তেওঁলোকৰ ওপৰতো ৮৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। মাওবাদী সকলে আজি আৰক্ষী আৰু চি আৰ পি এফৰ জ্যেষ্ঠ বিষয়াসকলৰ সন্মুখত আত্মসমৰ্পণ কৰে।

ইপিনে, সুকমা জিলাত আজি ২১ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে।তেওঁলোকৰ বাবেও ৭৬ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। আত্মসমৰ্পণৰ সময়ত মাওবাদীসকলে বস্তৰ ৰেঞ্জৰ আৰক্ষী মহাপৰিদৰ্শক সুন্দৰ ৰাজ পি, আৰক্ষী অধীক্ষক কিৰণ চৌহান আৰু চি আৰ পি এফৰ উপ মহাপৰিদৰ্শক আনন্দ সিং ৰাজপুৰোহিতৰ সন্মুখত একে-৪৭ ৰাইফল, এছ এল আৰ, আৰু বেৰেল গ্ৰেনেড লঞ্চাৰকে ধৰি বহুসংখ্যক অস্ত্ৰ-শস্ত্ৰ গতাই দিয়ে। উল্লেখযোগ্য যে আত্মসমৰ্পণ কৰা মাওবাদীসকলক ৰাজ্য চৰকাৰৰ পুনৰ্বাসন নীতিৰ অধীনত তাৎক্ষণিকভাৱে পঞ্চাশ হাজাৰ টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।

oooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ভাৰত ২০৪৭ৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণ আৰু চৰকাৰ তথা জনসাধাৰণৰ মাজত শক্তিশালী অংশীদাৰিত্বৰ প্ৰয়োজন বুলি সংবাদমেল যোগে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে থলুৱা প্ৰযুক্তি, গৱেষণা আৰু উদ্ভাৱনক প্ৰসাৰিত কৰি স্বাৱলম্বী ভাৰত গঢ়ি তোলাত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে ভাৰতীয় মহাকাশচাৰীক চন্দ্ৰলৈ প্ৰেৰণ কৰাৰ লক্ষ্য ৰাখিছে বুলি উল্লেখ কৰি ইয়াক জাতীয় গৌৰৱ আৰু বৈজ্ঞানিক শক্তিৰ মাইলৰখুঁটি বুলি অভিহিত কৰে। দেশৰ প্ৰথমটো থলুৱা এণ্টিবায়'টিক ঔষধৰ বিকাশৰ ওপৰত আলোকপাত কৰি ভাৰতৰ ক্ৰমবৰ্ধমান গৱেষণা ক্ষমতা প্ৰতিফলিত কৰি গুৰুতৰ শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ চিকিৎসাত সহায় কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আনহাতে ৰাষ্ট্ৰীয় নিৰাপত্তা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে প্ৰতিৰক্ষাৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ তদাৰক কৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে শাসন ব্যৱস্থাত প্ৰযুক্তিৰ প্ৰৱৰ্তনে জনসেৱাত স্বচ্ছতা আৰু গতি বৃদ্ধি কৰাত ডিজিটেল ইণ্ডিয়াই মুখ্য ভূমিকা পালন কৰিছে বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে ভাৰতে চিকিৎসা, গৱেষণা, জৈৱ প্ৰযুক্তি আৰু মহাকাশ বিজ্ঞানৰ দৰে খণ্ডত স্বাৱলম্বী হৈ উঠিছে যাৰ ফলত ভাৰতৰ বিশ্ব ব্যাপী মৰ্যাদা বৃদ্ধি পাইছে। চৰকাৰে উত্তৰ-পূবৰ ৰাজ্যসমূহক বিশেষ গুৰুত্ব দিছে, যাৰ ফলত আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাৰ যথেষ্ট উন্নতি সম্ভৱ হৈছে। চৰকাৰী কৰ্মচাৰীৰ দায়িত্বশীল আৰু নৈতিক আচৰণ ৰাষ্ট্ৰীয় প্ৰগতিৰ বাবে

অপৰিহাৰ্য্য বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰে মহিলা নেতৃত্বই উন্নয়নৰ চাবিকাঠি বুলি উল্লেখ কৰি মহিলাক অগ্ৰাধিকাৰ দিয়াৰ কথাও উল্লেখ কৰে।

০০০০

নতুন দিল্লীত চলি থকা বিশ্বৰ অন্যতম বৃহৎ প্লাষ্টিক প্ৰদৰ্শনী অনুষ্ঠানত প্লাষ্টিক উৎপাদন বৃদ্ধি আৰু বৃহৎ পৰিসৰৰ নিয়োগক আগুৰাই নিবলৈ আত্মনিৰ্ভৰশীল ঔদ্যোগীক ভেটি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই প্ৰদৰ্শনীয়ে যুৱক-যুৱতী, উদ্ভাৱক আৰু ষ্টাৰ্টআপৰ বাবে বহনক্ষম প্লাষ্টিক সমাধান প্ৰদৰ্শনৰ বাবে সঠিক মঞ্চ প্ৰদান কৰে। উল্লেখযোগ্য যে এই প্ৰদৰ্শনীৰ বিষয়বস্তু হৈছে আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সংগতি থকা ভাৰত নেক্সট আৰু শূন্য অপচয় প্ৰদৰ্শনী হিচাপে গঢ়ি তোলা।

০০০০

আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰতিযোগিতাৰ আজি ইডেন গাৰ্ডেনছত দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে স্কটলেণ্ডক ৩৫ ৰাণত পৰাস্ত কৰে। খেলখনত স্কটলেণ্ডে ১৮৩ ৰাণৰ লক্ষ্যৰে খেলি ১৪৭ ৰাণতে অল আউট হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ৫ উইকেট হেৰুৱাই ১৮২ ৰাণ কৰে। উল্লেখযোগ্য যে শ্ৰীলংকাৰ কলম্বোৰ ছিংহালিচ স্পৰ্টছ ক্লাবত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত পাকিস্তানে নেডাৰলেণ্ডছক ৩ উইকেটত পৰাস্ত কৰে। পাকিস্তানে ১৪৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু তিনিটা বলত ৭ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

অহা ৮ মাৰ্চলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত ২০ দলে অংশগ্ৰহণ কৰিছে। ভাৰত আৰু শ্ৰীলংকাৰ বিভিন্ন স্থানত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ